**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-April-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ এদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ ব্যাপক প্ৰচাৰ।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ আজি প্ৰচাৰ অভিযান।

৩। নিৰ্বাচনৰ পূৰ্বে ৰাজ্যত নগদ ধনকে ধৰি ৯৭ কোটি টকাৰ বিভিন্ন সামগ্ৰী জব্দ।

৪। চৰকাৰৰ ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিক্ৰী বৃদ্ধি। জনসাধাৰণক অযথা ভীতিগ্ৰস্ত নহ'বলৈ চৰকাৰৰ আহ্বান।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৪৩ ৰানত জয়লাভ।

oooooo

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰ অসমলৈ আহিছে। তেওঁ কালি সন্ধিয়া গুৱাহাটীত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি হোজাই, ভৱানীপুৰ-সৰভোগ আৰু ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলাব। প্ৰধানমন্ত্ৰীৰ প্ৰচাৰ অভিযান সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সাংবাদিকৰ আগত এইদৰে কয় –

বাইট

দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি আৰু কাইলৈ বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে নিৰ্বাচনী প্ৰচাৰৰ বাবে আজি পুনৰ অসমলৈ আহিব। কাইলৈ তেওঁ এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

ইপিনে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলৰ সভাপতি ৰাহুল গান্ধীয়ে কালি গোলাঘাট, বিশ্বনাথ আৰু কমলপুৰত নিৰ্বাচনী সভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। শ্ৰীগান্ধীয়ে অসমত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিলে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ উপৰি ১০ লাখ লোকক ভূমি পট্টা প্ৰদান তথা চাহ শ্ৰমিকক ৪৫০ টকাকৈ মজুৰি প্ৰদান কৰা হ'ব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি বোকাখাতত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ চলায়।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰচলা, বিশ্বনাথ, কলিয়াবৰ, বঢ়মপুৰ, তেজপুৰ আৰু বিহালী সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে কালি চৰাইদেউ জিলাৰ সোণাৰী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী মনেশ্বৰ ব্ৰহ্মৰ হৈ প্ৰচাৰ চলায়। একেদৰে ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োই চিৰাঙত দলীয় প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী আৰু কমল সিং নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মণিপুৰৰ মুখ্যমন্ত্ৰী ৱাই খেমচান্দ সিঙে কাছাৰ জিলাৰ উধাৰবন্দ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ৰাজদীপ গোৱালাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে জিলা প্ৰশাসনসমূহে সুকলমে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈ উঠিছে।  নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া ই ভি এম সমূহত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্টকৰণ কাৰ্য ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত সফলতাৰে কৰা হৈছে। নিৰ্বাচনৰ আয়োগৰ নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছতাৰে প্ৰাৰ্থী অথবা তেওঁলোকৰ অনুমতি প্ৰাপ্ত প্ৰতিনিধিৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। মুঠ ৪১ হাজাৰ ৩২০ টা বেলট ইউনিট, ৪৩ হাজাৰ ৯৭৫ টা কণ্ট্ৰল ইউনিট আৰু ৪৩ হাজাৰ ৯৯৭ টা ভি ভি পেট ইউনিটত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্ট কৰা হৈছে। ৰাজ্যৰ ৩১ হাজাৰ ৪৯০ টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰয়োজন সাপেক্ষে ব্যৱহাৰৰ বাবে ই ভি এম সংৰক্ষণ কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ একমাত্ৰ বিধানসভা সমষ্টিৰ মানকাচৰৰ ৪০২ টা ভোটগ্ৰহণ কেন্দ্ৰত নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন কৰাৰ বাবে ৪৮৮ টা ভোটগ্ৰহণকাৰী দলক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰ পূৰ্বে পলিং আৰু প্ৰিজাইডিং বিষয়াসকলকো প্ৰশিক্ষণ দিয়া হৈছিল। কাৰ্বি আংলং জিলাত নিৰ্বাচনী প্ৰক্ৰিয়াত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে কালি ডাক বেলটযোগে  ভোটদান কৰে। নিৰ্বাচনী জিলাখনত নিয়োজিত কৰ্মচাৰীসকলে আজি পৰ্যন্ত ডাক বেলটযোগে ভোটদান কৰিব পাৰিব।

ডিব্ৰুগড় জিলাত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি সাধাৰণ পৰ্যবেক্ষক টি এন ভেংকতেশে চাবুৱা-লাহোৱাল, ডিব্ৰুগড় আৰু খোৱাং বিধানসভা সমষ্টিত ৰিটাৰ্ণিং বিষয়া, সহকাৰী ৰিটাৰ্ণিং বিষয়া, জ'নেল আৰু চেক্টৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়।

যোৰহাট জিলাত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। তদুপৰি জিলাখনৰ বিভিন্ন প্ৰান্তত সুৰক্ষা কৰ্মীয়ে তালাচী চলাই আছে। ইপিনে, জিলা প্ৰশাসনে ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে কালি পদযাত্ৰা অনুষ্ঠিত কৰে। যোৰহাট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ নিৰ্দেশ মৰ্মে জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু অ' এন জি চিৰ উদ্যোগত তথা জিলা চুইপ কোষৰ সহযোগত এই পদযাত্ৰা কৰা হয়।

লখিমপুৰ জিলাত ভোটদাতাসকলক আকৰ্ষণৰ বাবে কালি ৰাজ্যিক ছুইপ আইকন ৰাকেশ বনিকে জিলাখনৰ বিভিন্ন অঞ্চলৰ মাজেৰে চাইকেল ৰেলী উলিয়ায়। এই ৰেলীত জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু প্ৰশাসনৰ বিভিন্ন বিষয়াসকলৰ লগতে নাগৰিকসকলে অংশগ্ৰহণ কৰে।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাক আশ্বস্ত কৰা তথা যিকোনো ধৰণৰ নিৰ্বাচনী হিংসা প্ৰতিহত কৰাৰ উদ্দেশ্যে আজি ৰাজ্যৰ বিভিন্ন সমষ্টিত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে ফ্লেগমাৰ্চ কৰিব। কিছুদিন পূৰ্বে শোণিতপুৰ জিলাৰ নদুৱাৰ সমষ্টিত হোৱা নিৰ্বাচনী হিংসা, জালুকবাৰী সমষ্টিত বিজেপি আৰু কংগ্ৰেছ কৰ্মীৰ মাজত হোৱা হতাহতিৰ লগতে ডিমৌ, জোনাই আদিত হোৱা বিভিন্ন হিংসাত্মক ঘটনা সন্দৰ্ভত কমেও ১০ টা গোচৰ ৰুজু কৰা হৈছে। আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙে কয়, যে নিৰ্বাচন আয়োগ আৰু প্ৰশাসনে ৰাজ্যখনৰ

সংবেদনশীল আৰু স্পৰ্শকাতৰ সমষ্টিসমূহ চিনাক্ত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আৰক্ষী প্ৰশাসনে এই অঞ্চসমূহত আইন-শৃংখলা সুনিশ্চিত কৰাৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে কেন্দ্ৰীয় আৰ্ধসামৰিক বাহিনীৰ ৬০০টা অতিৰিক্ত কোম্পানী ৰাজ্যত উপস্থিত হৈছে। পূৰ্বৰ ২০০ কোম্পানীৰ লগতে এই ৬০০ কোম্পানীকো ইতিমধ্যে অসম আৰক্ষীৰ সৈতে নিৰ্বাচনী কৰ্তব্যত নিয়োগ কৰা হৈছে। ৰাজ্যৰ মুখ্য সচিবে ইতিমধ্যে চি আৰ পি এফ, বি এছ্ এফ, আই এছ্ আফ আদিৰ সঞ্চালক প্ৰধানসকলৰ সৈতে পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰিছে। নিৰ্বাচনৰ পূৰ্বে ৰাইজৰ মনত যাতে কোনো শংকাৰ সৃষ্টি নহয়, তাক নিশ্চিত কৰা আৰু নিৰাপত্তা সন্দৰ্ভত ৰাইজক আশ্বস্ত কৰা অভিযানৰ অংশ হিচাপে আজি অৰ্ধসামৰিক বাহিনীৰ লোকসকলে সংশ্লিষ্ট স্থানসমূহত ফ্লেগমাৰ্চ কৰিব।

০০০০০০

নিৰ্বাচন আয়োগে ৰাজ্যত নগদ ধনকে ধৰি ৯৭ কোটি টকাৰ বিভিন্ন সামগ্ৰী জব্দ কৰিছে। ৰাজ্যৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই এই কথা সদৰি কৰি কয়, যে যোৱা ২৬ ফেব্ৰুৱাৰীৰ পৰা কালি পৰ্যন্ত নিৰ্বাচন আয়োগে চাৰি কোটি নগদ ধন, ২০ কোটি মূল্যৰ সুৰা, ৫৬ কোটি মূল্যৰ নিচাযুক্ত সামগ্ৰী, চাৰি কোটি টকাৰ মূল্যবান ধাতু আৰু ১৩ কোটি টকা মূল্যৰ অন্যান্য উপহাৰ সামগ্ৰী জব্দ কৰিছে। অসমৰ যুটীয়া মুখ্য নিৰ্বাচন বিষয়াই আৰু জনোৱা মতে নিৰ্বাচন হ'বলগীয়া দেশৰ কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগতে অসমতো নিয়োগ কৰা ফ্লাইং স্কোৱাড আৰু ষ্টেটিক চাৰ্ভিলেন্স টীমে আকস্মিক তালাচী অভিযান চলাই এই বৃহৎ পৰিমাণৰ সামগ্ৰী জব্দ কৰে।

০০০০০০

অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে ডিব্ৰুগড় জিলাৰ আটাইকেইটা সমষ্টিতে বয়োজ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণ কাৰ্য অব্যাহত আছে। বৰ্তমানলৈ জিলাখনত ৮৫ বছৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষম এহেজাৰ ৮০২ গৰাকী ভোটদাতাই পোষ্টেল বেলটৰ জৰিয়তে নিজৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। পোলিং বিষয়াসকলে ঘৰে ঘৰে গৈ গ্ৰহণ কৰা এই কাৰ্যসূচী কাইলৈ সামৰণি পৰিব।

০০০০০০

চৰকাৰে ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিক্ৰী বৃদ্ধি কৰিছে। সকলো ৰন্ধন গেছৰ বিতৰকৰ ওচৰত মজুত থকা এনে চিলিণ্ডাৰ বৈধ পৰিচয় পত্ৰ দেখুৱাই ল'ব পাৰি। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে জনোৱা মতে চৰকাৰে চাহিদা অনুসৰি যোগান বৃদ্ধি কৰাৰ পাছত যোৱা ২৩ মাৰ্চৰ পৰা ৬ লাখ ৬০ হাজাৰটা ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী হৈছে। ৰাজ সাহায্যযুক্ত ১৪ দশমিক ২ কিলোগ্ৰাম ওজনৰ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিপৰীতে ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ বজাৰ মূল্যত লাভ কৰিব পাৰি আৰু নিকটৱৰ্তী বিতৰকৰ পৰা এনে চিলিণ্ডাৰ ক্ৰয় কৰাৰ বাবে কোনোধৰণৰ ঠিকনাৰ প্ৰমাণ নালাগে।

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমান পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ নাটনি হোৱা নাই আৰু জনসাধাৰণে ভীতিগ্ৰস্ত হৈ অযথা ইন্ধন ক্ৰয় কৰাৰ প্ৰয়োজন নাই। মন্ত্ৰালয়ে লগতে জনসাধাৰণক ৰন্ধন গেছ বুকিঙৰ বাবে অপ্ৰয়োজনীয়ভাৱে বিতৰকৰ ওচৰলৈ যোৱাৰ পৰিবৰ্তে ডিজিটেল ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিবলৈ পৰামৰ্শ দিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৪৩ ৰানত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ২৫১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ছৰফৰাজ খানে সৰ্বাধিক ৫০ ৰান কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট লাভ কৰাৰ লগতে জেকব ডাফি, অভিনন্দন সিং আৰু ক্ৰুনাল পাণ্ডিয়াই দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনি উইকেটৰ বিনিময়ত ২৫০ ৰাণ সংগ্ৰহ

কৰে। টীম ডেভিদে সৰ্বাধিক ৭০ আৰু ৰজত পাটিদাৰে ৪৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। দেবদত্ত পাৰ্ডিক্কলে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। টীম ডেভিদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কালি হায়দৰাবাদত অনুষ্ঠিত আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে, ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে।

আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

NEWS PAPER REV

নিৰ্বাচনী হিংসা ৰোধ কৰিবলৈ আজি ৰাজ্যৰ কেইবাটাও সমষ্টিত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ফ্লেগমাৰ্চ, গুৱাহাটীত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ফ্লাইং স্কোৱাড আৰু ষ্টেটিক চাৰ্ভিলেন্স টীমৰ ৯৭ কোটি মূল্যৰ ধন-সামগ্ৰী জব্দ, কংগ্ৰেছ নেতা পৱন খেৰাৰ মুখ্যমন্ত্ৰীৰ পত্নী ৰিনিকি শৰ্মা ভূঞাৰ বিশাল সম্পত্তিৰ তথ্য ফাদিল আদি বাতৰিসমূহ আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

মুখ্যমন্ত্ৰীৰ পত্নী ৰিনিকি শৰ্মাৰ বিৰুদ্ধে কংগ্ৰেছ নেতা পৱন খেৰাই কালি কৰা বিস্ফোৰক অভিযোগসমূহ ভিত্তিহীন বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতত ৰাজ্যৰ বিভিন্ন স্থানত সংঘটিত নিৰ্বাচনী হিংসাৰ পৰিপ্ৰেক্ষিতত স্পৰ্শকাতৰ সমষ্টিসমূহত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীয়ে ফ্লেগমাৰ্চ কৰিব বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যত ফ্লাইং স্কোৱাড আৰু ষ্টেটিক চাৰ্ভিলেন্স টীমৰ ৯৭ কোটি মূল্যৰ ধন-সামগ্ৰী জব্দৰ এটা বাতৰি দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে পৱন খেৰাৰ সংবাদমেলক হাস্যকৰ আৰু এ আই জেনেৰেটেড কণ্টেণ্টৰ দুৰ্বল ব্যৱহাৰ বুলি ৰিনিকি ভূঞা শৰ্মাৰ মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে।

নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ বাংলাদেশীক এক ইঞ্চিও মাটি নিদিও বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কৰা মন্তব্যৰে দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্টাত বাতৰি প্ৰকাশ কৰিছে।

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ৰাজ্যৰ ছয়টা জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা দিয়া হ'ব বুলি কালি ৰাজ্যৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ ঘোষণা কৰাৰ এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী পত্নীৰ নামত বিদেশৰ তিনিখনকৈ পাছপ'ৰ্ট আছে বুলি কংগ্ৰেছ নেতা পৱন খেৰাই কৰা অভিযোগৰ বাতৰিৰে দৈনিক অগ্ৰদূত আৰু অসমীয়া খবৰ কাকতে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মিজোৰাম, অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**